# অসম আদিত্য

১৫ ফাগুন, ১৯৪৫ শক ■ বুধবাৰ, ২৮ ফেব্ৰুৱাৰী, ২০২৪ ■ Asom Aditya, Dibrugarh, Wednesday, February 28, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ


## ...মাহৎসৱৰ উদ্‌যাপন

বিভিন্ন
ৰবিদাস
ংস্কৃতিক
অতিথি
সভাপতি
মল কান্ত
ৰু বিশেষ
উপদেষ্টা
পটকটাৰ
ৰবিদাসে
ট ডিগ্ৰীৰ
চা শৰাই
ৰবিদাস
লে সেৱা
ব্যক্তিক
াৰা হয়।

উক্ত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ৰবিদাস যুৱ-ছাত্ৰ পৰিষদ কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা চুনীল ৰবিদাস, সভাপতি কাজু ৰবিদাস, সাধাৰণ সম্পাদক লোকেন্দ্ৰ ৰবিদাস, উপ-সভাপতি উৎপল পংকজ ৰবিদাস, ক্ৰীড়া সম্পাদক উৎপল ৰবিদাস, শিক্ষক ধীৰেণ ৰবিদাস, মানৱ ধৰ্ম সেৱা সমিতিৰ ধৰ্মপ্ৰাণ ব্যক্তি নদুলি ৰুহিদাস, সমাজসেৱক মনোজ ধানোৱাৰ, আটছু নেতা অৱন ভূমিজ, বিশ্বেশ্বৰ গোৱালা, চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ ডিব্ৰুগড় জিলাৰ সভাপতি মন্তোচ কুৰ্মি, জ্যোতি চিত্ৰবনৰ উপাধ্যক্ষ চুনীল ৰাজকোঁৱৰ, এছ কে এছ ইংলিছ একাডেমীৰ স্বত্বাধিকাৰী দয়ানন্দ শ্বাহকে প্ৰমুখ্যে কৰি বহুকেইজন বিশিষ্ট ব্যক্তি। উল্লেখ্য যে গুৰু ৰবিদাস জয়ন্তীৰ এই অনুষ্ঠানৰ জৰিয়তে জিলা সমিতিৰ মুখ্য উপদেষ্টা মণ্টু ৰবিদাসে ডিব্ৰুগড় জিলাত গুৰু ৰবিদাসৰ এটি মন্দিৰ নিৰ্মাণৰ বাবে আৰু ৰবিদাস সমাজৰ লোকসকলক সাংবিধানিক অধিকাৰ প্ৰদান কৰিবলৈ অসম চৰকাৰৰ মুখ্যমন্ত্ৰীলৈ আহ্বান জনায়।

## অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় নগৰ সমিতি গঠন

**ডিব্ৰুগড়, ২৭ ফেব্ৰুৱাৰী ঃ** যোৱা ২২ ফেব্ৰুৱাৰীত ডিব্ৰুগড় চহৰৰ ঐতিহ্যমণ্ডিত হনুমানবক্স সুৰজমল কানৈ কলেজৰ সভাগৃহত অনুষ্ঠিত এখন ৰাজহুৱা সভাত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় নগৰ সমিতিখন আনুষ্ঠানিকভাৱে গঠন কৰা হয়। অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলা কাৰ্যনিৰ্বাহক সমিতিৰ সাধাৰণ সম্পাদক অসীম কুমাৰ শৰ্মা, সাংগঠনিক সম্পাদক মৃদুল শৰ্মা আৰু যুটীয়া সম্পাদক মৈত্ৰেয়ী ভৌমিকৰ উপস্থিতিত সভাখনত অংশগ্ৰহণ কৰা ব্যক্তিসকলে আবৃত্তি পৰিষদৰ বিভিন্ন উদ্দেশ্য আৰু কাৰ্যপন্থাৰ বিষয়ে মত প্ৰকাশ কৰে। লগতে সৰ্বসন্মতিক্ৰমে ডিব্ৰুগড় নগৰ সমিতিৰ সভাপতিৰূপে নিৰ্বাচিত হয় ডিএইচএছ কানৈ কলেজৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া। সমিতিখনৰ অন্যান্য নিৰ্বাচিত বিষয়ববীয়াসকল ক্ৰমে— উপ-সভাপতি জ্যোতিপ্ৰকাশ ভট্টাচাৰ্য, সাধাৰণ সম্পাদক বিশ্বকিংকৰ বৰুৱা, কোষাধ্যক্ষ সত্যেন শৰ্মা, সাংগঠনিক সম্পাদক প্ৰদীপ্ত প্ৰাণ ভট্টাচাৰ্য, যুটীয়া সম্পাদক অনুপম মহন্ত। কাৰ্যবাহী সদস্য-সদস্যাসকল ক্ৰমে—. আত্ৰেয়ী বৰুৱা, জ্যোতিপ্ৰসাদ ফুকন, স্মৃতিৰেখা দেৱী, অৰ্চনা বেজবৰুৱা আৰু মিনাক্ষী শৰ্মা। উল্লেখ্য যে এইসভাত গ্ৰহণ কৰা সিদ্ধান্তসমূহৰ ভিতৰত অন্যতম হৈছে অহা ২৯ মাৰ্চত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ প্ৰতিষ্ঠা দিৱস আড়ম্বৰপূৰ্ণভাৱে ডিএইচএছ কানৈ কলেজত উদ্‌যাপন কৰা হ'ব।

## লাহোৱাল শিক্ষা খণ্ডত ব্লক পৰ্যায়ৰ সজাগতা সভা

**প্ৰতিবেদক, ডিব্ৰুগড়, ২৭ ফেব্ৰুৱাৰী ঃ** লাহোৱাল শিক্ষা খণ্ডৰ অধীনত ডিব্ৰুগড় বৰবাৰী প্ৰাথমিকবিদ্যালয়ত প্ৰাক্ শৈশৱকালীন শিশুৰ যতনৰ খণ্ড পৰ্যায়ৰ সজাগতামূলক সভা অলপতে অনুষ্ঠিত হয়। বৰবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিপুল শইকীয়াৰ সভাপতিত্বত হোৱা সভাৰ আঁত ধৰে সমল ব্যক্তি মৃদুল কলিতাই। লাহোৱাল শিক্ষা খণ্ডৰ অন্তৰ্ভুক্তি শিক্ষাৰ অনুৰাধা দত্তই উদ্দেশ্য ব্যাখ্যা কৰে। অতিথিৰূপে



...কল
...শিল্পী
...ৰ্মা